দিনাংক- **১৪ মাৰ্চ ২০১৪**

## উচ্চতম ন্যায়লয়, নিৰ্বাচনী আয়োগ অথবা সংবাদ মাধ্যমক কিয় দোষাৰূপ কৰিব লাগে ?

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিগত ২৪ ঘণ্টাত মই দুটা মন্তব্য শুনিব'লৈ পাইছো যিয়ে মোক চিন্তাত পেলাইছে । বৈদেশিক মন্ত্ৰী শ্ৰীযুত চলমান খুৰছীদে লণ্ডনৰ এটি অনুষ্ঠানত মত পোষন কৰিছিল যে ভাৰতৰ উচ্চতম ন্যয়লয় আৰু নিৰ্বাচনী আয়োগে নিজৰ সীমাক্ষেত্ৰৰ বহিৰত গৈ কাম কৰে । তেওঁ ভাৱে যে কেৱল নিৰ্বচিত লোকে গণতন্ত্ৰক ৰক্ষা কৰিব পাৰিব, বেলেগ লোকে নোৱাৰে । তেওঁৰ এই মন্তব্যই ভ্ৰমিত আৰু ভুল ধাৰণা পোষন কৰিছে ।

ভাৰতীয় সংবিধান অনুসৰি দুয়োৰে ক্ষমতা পৃথক কৰা আছে । আইন ব্যাখা কৰাৰ দায়িত্ব কেৱল আদালতৰহে । আইন প্ৰণয়ণ কৰোতাই তৈয়াৰ কৰা আইন সংবিধান অনুসৰি হয় নে নহয় সেইয়া কেৱল আদালতেহে ক'ব পাৰে । কাৰ্য্যপালিকাৰ বিষয়াৰ কাৰ্য্যক কেৱল আদালতেহে বিচাৰ কৰিব পাৰে । নিজৰ সীমাক্ষেত্ৰও আদালতেহে নিৰ্ধাৰণ কৰিব পাৰে । সাধাৰণতে আদালতে কাৰ্য্যপালিকা বিষয়াৰ কাৰ্য্যত হস্তক্ষেপ নকৰে । কাৰ্য্যপালিকাৰ কাম হৈছে নীতিক কাৰ্য্যত ৰূপায়ন কৰা । আৰু আইন প্ৰণয়ণ কৰোতাৰ কাম হৈছে আইন তৈয়াৰ কৰা । তেওঁলোকৰ কাৰ্য্যক নীৰিক্ষণ কৰোতে আদালতে অসাংবিধানিক আৰু সেচ্ছাচাৰী কাৰ্য্যক বাধা প্ৰদান কৰিব পাৰে । আদালতে কাৰ্য্যপালিকাক আইন অনুসৰি কাম কৰাৰ আদেশ দিব পাৰে । আদালতে এইয়াও চাব পাৰে যে কাৰ্য্যপালিকাই সিদ্ধান্ত গ্ৰহণ কৰোতে সঠিক মনোভাৱেৰে কাম কৰিছেনে নাই । সকলো সিদ্ধান্তৰ উচিত কাৰণ দেখুৱাব লাগিব আৰু সেই কাৰণ সমূহ ৰেকৰ্ড হ'ব লাগিব । কোনো আইন সংশোধন অথবা ন্যায়িক বিচাৰ আদালতে সাংবিধানিক মাপদণ্ড হিচাপে কৰিব লাগে । আমি ক'ব পাৰো যে আইন ন্যায়ধীশে তৈয়াৰ কৰে । এইয়া সত্য যে বহুতো সময়ত উচ্চতম ন্যায়লয়ে কাৰ্য্যপালিকাৰ বাবে নিয়ম, নীতি আৰু নিৰ্দেশাৱলী জাৰী কৰে । বিগত কিছু বছৰত আদালতৰ ৰায়, পৃথক ক্ষমতাক নিৰ্মূল কৰিছে । কিন্তু এইয়া ব্যতিক্ৰমহে । কেতিয়াবা এইয়া বিপদগামীও হয় । কিন্তু এইয়াই ভাৰতীয় ন্যায়পালিকাৰ কাম কৰোৱাৰ সাধাৰণ আৰ্হি পৰিলক্ষিত নকৰোৱায় ।

নিৰ্বাচনী আয়োগ বছৰে বছৰে অধিক উন্নত হৈ গৈ আছে । এইয়াই একমাত্ৰ প্ৰতিষ্ঠান যি স্বাধীন আৰু নিকাভাৱে নিৰ্বাচন কৰোৱাৰ দায়িত্বত থাকে । তেওঁলোকে ভালদৰে কাম কৰি গৈ আছে । স্বাধীন আৰু নিকা নিৰ্বাচন আৰু স্বাধীন ন্যায়লয়ে ভাৰতীয় গণতন্ত্ৰক ভালদৰে ৰক্ষা কৰি

আছে । মুক্ত সংবাদ মাধ্যম আৰু সংসদীয় গণতান্ত্রিক ব্যৱস্থা পৰম্পৰাগত ভাৰতীয় গণতান্ত্রিক ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰিছে । আৰম্ভণিত ক'ড অফ কন্ডাক্ট বিধিগত নাছিল । সংবিধানৰ অনুচ্ছেদ ৩২৪ অনুসৰি আজি ইয়াক আইনী শক্তি প্রদান কৰ হৈছে । ২০০২ বৰ্ষত উচ্চতম ন্যায়লয়ে দিয় ৰায় অনুসৰি তেওঁলোকক ন্যায়িক শক্তি প্রদান কৰা হৈছে । এইয়া কৰাৰ মূল কাৰণ হৈছিল, ম'ডেল ক'ড অফ কন্ডাক্টৰ নামত ৰাজনীতিবিদ সকলে অসস্তি পাইছিল যাৰ কাৰণে স্বাধীন আৰু নিকা নিৰ্বাচন কৰোৱাত অসুবিধাৰ সন্মূখীন হ'ব লগা হৈছিল । ভাৰত চৰকাৰৰ জেষ্ঠ নেতাই বিদেশী মাটিত এনে প্ৰতিষ্ঠানৰ বিৰুদ্ধে মতামত দিয়া কেতিয়াও পৰিলক্ষিত হোৱা নাই । এই সকল প্রতিষ্ঠানে ভাৰতীয় গণতন্ত্ৰক শক্তিশালী কৰাত বহুত সহযোগিতা আগবঢ়াইছে ।

দ্বিতীয়টো অসস্তিকৰ মন্তব্য হৈছে অৰবিন্দ কেজৰিৱালৰ । তেওঁ দাবী কৰিছে যে নৰেন্দ্র মোডীয়ে সংবাদ মাধ্যমক মেনেজ কৰিছে যাৰ কাৰণে সংবাদ মাধ্যমত তেওঁৰ ভাল কথাবোৰ প্ৰচাৰ কৰা হৈছে । সেইকাৰণে তেওঁ ভাৱে যে সংবাদ মাধ্যমক কিনা হৈছে আৰু যেতিয়া তেওঁ কেন্দ্ৰৰ শাসনত আহিব তেতিয়া সকলো দোষী সাংবদিকক জেললৈ প্ৰেৰণ কৰিব । তেওঁ যেতিয়া গম পালে যে এনে মন্তব্যই জনসাধাৰণক অসস্তি কৰিছে তেতিয়া তেওঁ কথাষাৰ নাকচ কৰিছে ।

অৰবিন্দ কেজৰিৱাল আৰম্ভণিত জনপ্রিয় আছিল । এতিয়া তেওঁ অৱেগপূৰ্ণ ভাষন দি ৰাইজৰ মন ভুলুৱা ৰাজনৈতিক নেতা হিচাপে থিয় দিছে । তেওঁ কোনো তথ্য নোহোৱাকৈ সকলোৰে বিৰুদ্ধে অভিযোগ আনি থাকে । তেওঁ সত্যতাক লৈ অলপো চিন্তিত নহয় । তেওঁ বাৰে বাৰে ভুল কথা আঙুলিওৱাত বিশ্বাস কৰে । তেওঁ বিশ্বাস কৰে যে তেওঁ দিয়া তথ্যহে সত্য । বহুত ক্ষেত্ৰত জনপ্ৰিয়তা অৰ্জন কৰিছে যদিও তেওঁৰ কোনো আদৰ্শ নাই । নিজৰ কথা ৰখাৰ আগতে তেওঁ জনসাধাৰণৰ মোড চাই লয় ।গণতান্ত্রিক প্ৰতিষ্ঠানৰ বাৱে তেওঁলোক বহুত হনিকাৰক। সাধাৰনতে ক'বলৈ গ'লে তেওঁৰ আৰ্হি হৈছে, 'সং বাদ মাধ্যমক এটা শিক্ষা দিব লাগে, যিহেতু তেওঁলোক সত্যবাদী নহয়, ইয়াৰ কাৰণ হৈছে আগন্তুক নিৰ্বাচনত নৰেন্দ্র মোডী জয়লাভ কৰিব বুলি বাৰে বাৰে সম্প্ৰচাৰ কৰি আছে ' । এতিয়া আকৌ তেওঁ তেনে কোনো মন্তব্য দিয়া বুলি বাৰে বাৰে নাকচ কৰিছে ।

চলমান খুৰ্ছীদ আৰু অৰবিন্দ কেজৰিৱালে উচ্চতম ন্যায়লয়, সংবাদ মাধ্যম আৰু নিৰ্বচনী আয়োগক লৈ ইয়ান খঙাল হৈ কিয় আছে । ইয়াৰ সমালোচনা ভাল ৰাজনীতিবিদৰ চিহ্ন নহয় । নিৰ্বাচনত জয়লাভ কৰা অথবা পৰাস্ত হোৱা নিৰ্বাচনৰ এটি অংগ । ভাৰত আৰু গণতন্ত্ৰ অমৰ, মানুহ নহয় । নিৰ্বাচনত পৰাস্ত হোৱাৰ হতাশাৰ বাবে শ্ৰীযুত চলমান খুৰছীদ আৰু শ্ৰীযুত অৰবিন্দ কেজৰিৱালে এনে ভাৱে যে গণতান্ত্রিক প্ৰতিষ্ঠানৰ মাজত বহুত বুজাবুজি আছে ।